১৯৫১চন

১২ জানুৱাৰী

ৰামনন্দন প্ৰসাদ নাৰায়ণ সিং

...........আবেদনকাৰী

বনাম

মহন্থ কপিলদেৱ ৰামজী আৰু অন্যান্য

(আৰু আন ৩টা আপীল আবেদনসহিতে)

..............উত্তৰদাতা

[মু. ন্যা. শ্ৰীহৰিলাল কানিয়া, ন্যা. পতঞ্জলি শাস্ত্ৰী আৰু ন্যা. চন্দ্ৰশেখৰ আয়াৰ]

*বিহাৰ মানিলেণ্ডাৰচ (ৰেগুলেচন অৱ ট্ৰাঞ্জেকচন ) এক্ট [বিহাৰৰ ধন-ঋণদাতা (লেনদেনৰ নিয়ন্ত্ৰণ) আইন] (আইন নং VII, ১৯৩৯চন), ধাৰা নং ৭- পূৰ্বৰ নথিপত্ৰৰ ঋণত বাকী থকা ধনৰ বাবে নতুন নথিপত্ৰৰ কাৰ্যকৰীকৰণ- পৰৱৰ্তী নথিপত্ৰৰ ভিত্তিত গোচৰ- গোচৰৰ তাৰিখৰ আগৰ সুত- ডিক্ৰীত নিৰ্ধাৰিত হ'ব পৰা সৰ্বোচ্চ ধনৰাশি- পূৰ্বৰ বা পৰৱৰ্তী নথিপত্ৰৰ ভিত্তিত গণনা কৰা হ'ব নে নহয়- "তেনে নথিপত্ৰৰ দ্বাৰা উল্লিখিত বা প্ৰমাণিত ঋণৰ পৰিমাণ"।*

য'ত পূৰ্বৰ নথিত প্ৰদান কৰা ঋণৰ মূলধন আৰু সুতৰ হিচাপত বাকী থকা ধনৰ ওপৰত নতুন নথিপত্ৰ কাৰ্যকৰী কৰা হয় আৰু, পৰৱৰ্তী নথিপত্ৰত প্ৰদান কৰিবলগীয়া সুত সহিতে প্ৰাপ্য- ধনৰাশি আদায়ৰ বাবে গোচৰ তৰা হৈছে, যি ১৯৩৯-ৰ বিহাৰৰ ধন-ঋণদাতা (লেনদেনৰ নিয়ন্ত্ৰণ) আইনৰ ধাৰা নং ৭-ৰ বাবে "তেনে নথিপত্ৰত উল্লিখিত বা প্ৰমাণিত ঋণৰ পৰিমাণ" পিছৰ নথিখনে উল্লিখিত বা প্ৰমাণিত ধন, কিন্তু মূল নথিখনত উল্লিখিত নবীকৰণ কৰা ধন নহয় আৰু, আদালতে গোচৰ আৰম্ভ হোৱাৰ পূৰ্বৰ সময়ছোৱাৰ সুতৰ পৰিমাণৰ বাবে অধিসূচনা জাৰি কৰিব পাৰে, যি কোনো ধনৰ সৈতে একেলগে পিছৰ নথিৰ তাৰিখৰ পিছত সুত হিচাপে সিদ্ধ কৰা হয়, কিন্তু

পৰৱৰ্তী নথিত উল্লিখিত ঋণৰ পৰিমাণতকৈ বেছি নহয়। এইদৰে নিৰ্ধাৰণ কৰিব পৰা সৰ্বোচ্চ ধনৰাশি সেই ধন নহয় যি মূল ঋণৰ তাৰিখৰ পৰা সিদ্ধ কৰা সুতৰ সৈতে মূল ঋণতকৈ বেছি নহয়।

*সিংহেশ্বৰ সিং আৰু অন্যান্য বনাম নাদনী প্ৰসাদ সিং আৰু অন্যান্য (এ.আই.আৰ. ১৯৪০ পি.এ.টি. ৬৫), লাল সিং বনাম ৰামনাৰায়ণ ৰাম আৰু অন্যান্য (এ.আই.আৰ. ১৯৪২ পি.এ.টি. ১৩৮), মাধো প্ৰসাদ সিং বনাম মুকুট্টেৰী সিং আৰু অন্যান্য (১৯৩ আই.চি.৬৬১), দেও নন্দন প্ৰসাদ বনাম ৰামপ্ৰসাদ (আই.এল.আৰ. ২৩ পি.এ.টি. ৬১৮), ৰামনন্দন প্ৰসাদ নাৰায়ন সিং বনাম কুলপতি শ্ৰী মহন্ত গোস্বামী মাধৱানন্দ ৰামজী ([১৯৪০] এফ.চি.আৰ.১)। সুৰেন্দ্ৰ প্ৰসাদ নাৰায়ণ সিং বনাম শ্ৰীগজাধৰ প্ৰসাদ সাহু ট্ৰাষ্ট এষ্টেট আৰু অন্যান্য ([১৯৪০] এফ.চি.আৰ.৩৯)*-ৰ কথা উল্লেখ কৰা হৈছে।

আপীলীয় ক্ষেত্ৰাধিকাৰ: ১৯৫০চনৰ দেৱানী আপীল নং. ৯৮, ৯৯, ১০০, ১০১।

১৯৪৮ চনৰ ১০৮ৰ পৰা ১১১নং বিবিধ আপীলত পাটনা উচ্চ ন্যায়ালয়ৰ (ন্যা. মনোহৰ লাল আৰু ন্যা. ইমাম) আদেশৰ ভিত্তিত আপীল।

আপীলকাৰীৰ পক্ষত *শম্ভু বৰমেশ্বৰ প্ৰসাদ* আৰু *ৰামানুগ্ৰহ প্ৰসাদ*।

উত্তৰদাতাৰ পক্ষত *এইচ. জে. উমৰিগাৰ*।

১৯৫১চন, জানুৱাৰী ১২। আদালতৰ ৰায়দান কৰে এনেদৰে-

**ন্যায়াধীশ চন্দ্ৰশেখৰ আয়াৰ**- পৰস্পৰে সম্পৰ্ক থকা এই চাৰিটা আপীলৰ সিদ্ধান্ত পাটনা উচ্চ ন্যায়ালয়ৰ চাৰিটা বিবিধ আপীলত দিয়া আদেশৰ পৰা উদ্ভৱ হৈছে, যি বিহাৰৰ ধন-ঋণদাতা (লেনদেনৰ নিয়ন্ত্ৰণ) আইন, ১৯৩৯-ৰ ধাৰা নং ৭-ৰ ব্যাখ্যাৰ ওপৰত নিৰ্ভৰশীল।

যিবোৰ তথ্যই আপীল আবেদনকেইখনৰ সূচনা কৰিছে, সেইবোৰ পাটনাৰ উপ- ন্যায়াধীশৰ তৃতীয় আদালতত বৰ্তমানৰ আপীলকাৰীসকলে দাখিল কৰা আবেদনখনত চমুকৈ উল্লেখ কৰা হৈছে আৰু সুবিধাৰ বাবে ইয়াত পুনৰুল্লেখ কৰিব পাৰি:-

"১১-০১-১৮৯৩ তাৰিখে আবেদনকাৰীসকলৰ পিতৃয়ে মৰ্টগেজ বণ্ড(বন্ধকী দলিল)-ৰ অধীনত ডিক্ৰী-ধাৰীৰ গুৰু (পূৰ্বপুৰুষ)-ৰ পৰা ৪০,০০০টকা ঋণ লৈছিল।

৪০,৩৭০-৭-৬টকাৰ সুত আৰু ০৪-০১-১৯১০লৈকে কমপাউণ্ড ইনটাৰেস্ট (চক্ৰবৃদ্ধি সুত) ধৰি ৩২,৩৭০-৭-৬টকা নগদ আৰু বাকী সুত-৮,০০০টকা আৰু মূলধন-৪০,০০০টকা (অৰ্থাৎ ৪৮,০০০টকা)-ৰ বাবে ১৯১০চনৰ ১৪নং বন্ধকী গোচৰ পাটনাৰ উপ-ন্যায়াধীশৰ ১ম আদালতত দাখিল কৰা হয় আৰু উক্ত গোচৰৰ দাবী আৰু খৰচৰ সলনি ১১-০৭-১৯১০তাৰিখে দুখন নতুন বন্ধকী দলিল কাৰ্যকৰী কৰা হয়, অৰ্থাৎ এখন ৪০,০০০টকাত আৰু আনখন ৯,৪৮৮টকা আৰু পিছৰ দলিলখন নগদ ১৫,৮৩৫টকা পৰিশোধ কৰি পূৰণ কৰা হৈছে।

১১-০৭-১৯১০তাৰিখৰ ৪০,০০০টকাৰ দলিলৰ সন্দৰ্ভত, আবেদনকাৰীয়ে ৩৮,৫৩০-১৩-৬টকা দিছিল। পাটনাৰ উপ ন্যায়াধীশৰ তৃতীয় আদালতত দাখিল কৰা ১৯২৭চনৰ ১১০নং বন্ধকী গোচৰৰ ০৯-০৭-১৯২৯তাৰিখে ৫৮,০১২-২-০ টকাৰ ডিক্ৰী (বিধান) দিয়া হয়। ইয়াৰে নগদ ৫,০০০টকাৰে আৰু বাকী থকা ৫৩,০১২-১২-০ টকাৰ বাবে ৬-১০-১৯৩১তাৰিখৰ ৪২,০০০টকাৰ এখন বন্ধকী দলিল আৰু একে তাৰিখে দুটা হেণ্ড-নোট (ঋণ স্বীকাৰপত্ৰ) কাৰ্য্যকৰী কৰা হৈছিল, অৰ্থাৎ এখন ৫,০০০টকা আৰু আনখন ৬,০১২-২-০টকাৰ।

দুয়োখন হেণ্ড-নোটৰ বাবে ১৯৩৩চনৰ ১৪নং গোচৰ উপ- ন্যায়াধীশৰ ৩য় আদালতত তৰা হৈছে আৰু ২৮-২-১৯৩৫তাৰিখে ১৫,০০৮-২-০টকাৰ ডিক্ৰী দিয়া হৈছে।

এই অধিসূচনা কাৰ্যকৰী হৈ আছে।"

যেতিয়া ৬-১০-১৯৩১ তাৰিখৰ ৬২,২৭২-১৩-০টকাৰ বন্ধকী দলিলৰ অধীনত বন্ধকীৰ মৰ্টগেজ লিয়েন (পূৰ্বসৰ্ত্ত)-ৰ আওতাত থকা বুলি উল্লেখ কৰি ৰায়দানৰ-ঋণীৰ সম্পত্তিৰ এটাচমেন্ট(অভিগ্ৰহন)আৰু বিক্ৰী কৰি ধনৰ ডিক্ৰী কাৰ্যকৰী কৰিবলৈ বিচৰাত, দুয়ো ভায়েক- ৰায়দানৰ-ঋণীয়ে পূৰ্বৰ ১৯৩৮ চনৰ বিহাৰৰ ধন- ঋণদাতা, III আইনৰ ১১ আৰু ১৬ নং ধাৰা

আৰু দেৱানী প্ৰক্ৰিয়া সংহিতাৰ ৪৭ নং ধাৰাত আপত্তি দাখিল কৰে। দুয়ো ভায়েকৰ আবেদনসমূহ (প্ৰত্যেকৰে দুখনকৈ) পৃথকে পৃথকে দাখিল কৰিছিল। তেওঁলোকে আহ্বান জনায় যে, ধাৰা ১১ৰ অধীনত সঠিক হিচাপ কৰিলে বন্ধকী ঋণৰ প্ৰতি ৯২,৩৯৪-২-০টকাৰ ধন পৰিশোধ কৰাৰ বাবে সম্পত্তিসমূহৰ ওপৰত কোনো লিয়েন (পূৰ্বসৰ্ত্ব)-ৰ অৱস্থিতি নাই। অধীনস্থ ন্যায়াধীশে ৰায় দিছিল যে, তেওঁৰ সন্মুখৰ কাৰ্য্যকৰণৰ সৈতে জড়িত বিবিধ গোচৰত ৰায়দানৰ-ঋণীসকলৰ এই আবেদন গ্ৰহণ কৰিব নোৱাৰি আৰু দাবী কৰা ধনৰ সত্যসত্যতাৰ বিষয়ে একো সিদ্ধান্ত নোলোৱাকৈ মৰ্টগেজ ইনকামব্ৰেঞ্চ(বন্ধকীৰ বোজাক) অৱগত কৰাটোৱেই কৰিব পৰা একমাত্ৰ কাম আছিল; আৰু এই সিদ্ধান্ত আংশিকভাৱে এই কথাটোৰ ওপৰত ভিত্তি কৰি লোৱা হৈছিল যে, আইনখনৰ ১৬নং ধাৰাটো উচ্চ ন্যায়ালয়ে বাতিল বুলি ঘোষণা কৰিছে। উচ্চ ন্যায়ালয়ত কৰা আপীল খাৰিজ কৰা হয়। তাৰপিছত ৰায়দানৰ-ঋণীয়ে ফেডাৰেল আদালতত আপীল কৰাৰ পক্ষপাতি আছিল আৰু, এই দাবী কৰিছিল যে, নতুন আইনখনৰ ধাৰা ৭ আৰু ১৩(পুৰণি আইনখনৰ ধাৰা ৭ আৰু ১১ৰ সৈতে মিল থকা) প্ৰযোজ্য আৰু লিয়েন (পূৰ্বসৰ্ত্ব)ৰ সন্দৰ্ভত ধাৰা ৭ৰ অধীনত প্ৰয়োজনীয় গণনা কৰাৰ পিছত সম্পত্তিৰ মূল্য অনুমান কৰাটো আদালতৰ কৰ্তব্য। ফেডাৰেল আদালতৰ এই সিদ্ধান্ত *ৰামনন্দন প্ৰসাদ নাৰায়ণ সিং আৰু অন্যান্য বনাম কুলপতি শ্ৰী মহন্ত গোস্বামী মাধৱানন্দ ৰামজী*(1) প্ৰতিবেদিত হৈছে। ১৩নং ধাৰাত আবেদন দাখিল কৰাৰ স্বাধীনতা প্ৰদান কৰি গোচৰটো পুনৰ উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা হয়।

০২-০৭-১৯৪২ তাৰিখে কাৰ্য্যকৰণৰ বাবে নতুনকৈ কৰা আবেদনৰ উত্তৰত দুয়োজন ভাতৃয়ে পূৰ্বৰ দৰেই আপত্তি দাখিল কৰে। ১৯৪২চনৰ ৪৫ আৰু ৪৬ নং বিবিধ গোচৰ, বিহাৰৰ ধন- ঋণদাতা আইনৰ ধাৰা নং ৭ আৰু ১৩ৰ সৈতে জড়িত আৰু ১৯৪২ চনৰ ৫০ আৰু ৫২ নং বিবিধ গোচৰ, দেৱানী প্ৰক্ৰিয়া সংহিতাৰ ৪৭ নং ধাৰাত আপত্তি সম্পৰ্কীয়। অধীনস্থ ন্যায়াধীশে ৰায় দিছিল যে, ঋণৰ পৰিমাণ ১৯৩১ চনৰ বন্ধকী চুক্তিত উল্লেখ কৰা ধন হিচাপে ধৰিব লাগে, ১৮৯৩ চনত দিয়া আগধন হিচাপে নহয়, তাৰোপৰি

1 ১৯৪০ এফ.চি.আৰ.১

দলিলত এতিয়াও ৭০,৮৪০টকা পৰিশোধ কৰিবলগীয়া আছে। তেওঁ নিৰাপত্তা হিচাপে দিয়া কেইবাটাও সম্পত্তিৰ নেট ইনকাম (মুঠ আয়)ৰ ১৬গুণ ভিত্তি হিচাপে গ্ৰহণ কৰি বজাৰ মূল্য নিৰ্ধাৰণ কৰিছে।

উচ্চ ন্যায়ালয়ত কৰা আপীল আবেদনসমূহ ১৯৪৩চনৰ এম. এ. ১০৮–ৰ পৰা ১১১ নং লৈ নম্বৰ দিয়া হৈছিল আৰু সেইবোৰৰ শুনানি গ্ৰহণ কৰিছে- ন্যা. মনোহৰ লাল আৰু ন্যা. ইমাম। তেওঁলোকে নিম্ন আদালতৰ আদেশ কিছুমান দিশত সংশোধন কৰে। আনকি তেওঁলোকৰ মতে ঋণৰ পৰিমাণ ৬–১০–১৯৩১চনৰ বন্ধকী দলিলত উল্লেখ কৰা ধৰণৰ আছিল, কিন্তু ১১,৮৫৫–৩–০ টকাৰ ৰাশি দলিলৰ তাৰিখৰ পিছত মূলধনৰ অংশৰূপে স্পষ্টভাৱে ঘূৰাই দিয়া হৈছিল, সেই ধনৰাশি ২৮,১৫০টকালৈ হ্ৰাস পাইছিল। সুতৰ দ্বাৰা সম পৰিমানৰ ধন সংযোগ কৰিলে, যি তেওঁলোকৰ মতে সৰ্বোচ্চ পৰিমানৰ ধন আছিল, যি আইনখনৰ ৭নং ধাৰাত অনুমোদিত, মুঠ দায়বদ্ধতা ৫৬,৩০০টকাৰ বুলি উল্লেখ কৰা হৈছিল আৰু এই ধনৰ বাবে সম্পত্তিৰ ওপৰত মূল্য নিৰ্ধাৰণ কৰা হৈছিল। লগতে তেওঁলোকে নিৰ্দেশ দিয়ে যে, সম্পত্তিৰ মূল্য মুঠ আয়ৰ বিশগুণ নিৰ্ধাৰণ কৰিব লাগে, ষোল্লগুণ নহয়। এই আদেশৰ পৰাই বৰ্তমানৰ আপীল আবেদনৰ উৎপত্তি হৈছে।

আপীলকাৰীসকলৰ হৈ দুটা কথাৰ আহ্বান কৰা হৈছিল এনেদৰে- (ক) ডিক্ৰীধাৰীক কন্সট্ৰাকটিভ *ৰেচ-জুডিকেটা* (গঠনমূলক পূৰ্ববিচাৰিত)-ৰ দ্বাৰা ৰায়দানৰ-ঋণীয়ে ধাৰা ৭ৰ ওপৰত স্থাপন কৰা ভিত্তিটো ভুল বুলি ক'বলৈ বাধা দিয়া হৈছিল; আৰু (খ) ধাৰা ৭ প্ৰয়োগ কৰাৰ সময়ত আমি ১৮৯৩চনৰ ঋণৰ মূল পৰিমাণ ৪০,০০০ টকা বিবেচনা কৰিব লাগিব আৰু, ১৮৯৩চনৰ পৰা আপীলকাৰী আৰু তেওঁলোকৰ পূৰ্বৰ লোকসকলে সুত বুলি প্ৰদান কৰা সকলো ধনৰ বিবেচনা কৰাৰ পিছত কেৱল সেই সৰ্বোচ্চ ৰাশিৰ বাবেহে সুতৰ দাবীৰ অনুমতি দিব।

প্ৰথমটো কথা- সম্পূৰ্ণৰূপে ভিত্তিহীন। যিহেতু ডিক্ৰীধাৰীয়ে বিহাৰৰ ধন-ঋণদাতা আইন, ১৯৩৮ৰ ১১ নং ধাৰা বাতিল আৰু আল্ট্ৰা ভাইৰাছ (আইন বৰ্হিভূত) বুলি ঘোষণা কৰিছে আৰু সেয়েহে ১১ নং ধাৰাটোৰ সৈতে মিল থকা নতুন আইনখনৰ ৭ নং ধাৰাটোও প্ৰযোজ্য নাছিল, তেতিয়া ৰায়দান-ঋণীয়ে

আবেদন জনায় যে, তেওঁলোকে নতুন আইনখনৰ ধাৰা ৭ৰ সুবিধা লাভ কৰাৰ অধিকাৰী। *ৰামনন্দন প্ৰসাদ নাৰায়ণ সিং আৰু অন্যান্য বনাম কুলপতি শ্ৰীমহন্ত গোস্বামী মাধৱানন্দ ৰামজী*( [2] )গোচৰত ফেডাৰেল আদালতে ৰায় দিছিল যে, যেতিয়া কাৰ্যকৰী আদালতে ১৩ নং ধাৰা অনুসৰি বিক্ৰী কৰিবলগীয়া সম্পত্তিৰ মূল্য নিৰ্ণয় কৰিব, তেতিয়া ৰায়দান-ঋণী(বৰ্তমানৰ আপীলকাৰী)সকলে নতুন আইনখনৰ বিধানসমূহৰ দাবী কৰাৰ অধিকাৰী হ'ব। পক্ষসমূহৰ মাজত ধাৰা ৭ৰ সঠিক ব্যাখ্যাক লৈ কোনো খোকোজা নাছিল। আপীলকাৰীসকলে ধাৰা ৭ৰ বিধানসমূহৰ সুবিধা লোৱাৰ অধিকাৰী আছিল বোলা কথাটো ধাৰা ৭ৰ ওপৰত তেওঁলোকে দিব বিচৰা ব্যাখ্যা সঠিক আছিল বুলি কোৱাৰ পৰা সম্পূৰ্ণ পৃথক। ফেডাৰেল আদালতে ব্যাখ্যাৰ কোনো প্ৰশ্নৰ সৈতে কোনোধৰণৰ মোকাবিলা কৰা নাছিল। তেন্তে গঠনমূলক কন্সট্ৰাকটিভ *ৰেছ-জুডিকেটা*-ৰ মতবাদৰ অৱস্থিতি ক'ত সেয়া বুজাটো অসম্ভৱ, যি আপীলকাৰীসকলৰ বাবে সহায়ক হ'ব পাৰিলেহেতেন I

তেওঁলোকৰ পক্ষত উত্থাপিত দ্বিতীয় প্ৰশ্নটো ১৯৩৯ চনৰ বিহাৰৰ ধন-ঋণদাতা (লেনদেন নিয়ন্ত্ৰণ) আইন VII ৰ ৭ নং ধাৰাটোৰ প্ৰকৃত অৰ্থৰ সৈতে জড়িত, যি এনেধৰনৰ:-

"৭. অন্য কোনো আইনত বা আইনৰ অধীনত থকা যিকোনো বস্তুত বা কোনো চুক্তিৰ বিপৰীতে কোনো কথা থাকিলেও, কোনো আদালতে এই আইন আৰম্ভ হোৱাৰ আগতে বা পিছত মঞ্জুৰ হোৱা কোনো ঋণৰ সন্দৰ্ভত ঋণদাতাই ৰুজু কৰা কোনো গোচৰ উত্থাপন কৰিব নোৱাৰিব। অথবা এনে গোচৰৰ পৰা উদ্ভৱ হোৱা কোনো আপীল বা পুনৰীক্ষণৰ কাৰ্য্যবিধি, গোচৰ আৰম্ভ হোৱাৰ পূৰ্বৰ সময়ছোৱাৰ বাবে সুতৰ পৰিমাণৰ বাবে ডিক্ৰী প্ৰদান কৰা, যিটো ইতিমধ্যে বাস্তৱায়িত হোৱা যিকোনো ধনৰ সৈতে একেলগে আদালতৰ জৰিয়তে বা অন্য কোনো ধৰণেৰে আগবঢ়োৱা সুত, ঋণৰ পৰিমাণতকৈ বেছি হ'ব পাৰে, বা যদি ঋণটো কোনো নথিৰ ওপৰত ভিত্তি কৰি কৰা হয়, তেন্তে এনে নথিপত্ৰত উল্লেখ কৰা বা ইয়াৰ দ্বাৰা প্ৰমাণিত ঋণৰ পৰিমাণতকৈ বেছি হ'ব পাৰে।"

[2] ১৯৪০ এফ.চি.আৰ.১

বৰ্তমানক্ষেত্ৰত ১১-১-১৮৯৩ তাৰিখতেই ঋণৰ মূল ৰাশি ৪০,০০০টকা আগধন হিচাপে দিছিল। আপীলকাৰীসকলে কয় যে, গোচৰৰ তাৰিখৰ পূৰ্বে ডিক্ৰী দিবলগীয়া সুত গণনাৰ উদ্দেশ্যে আগধনৰ ঋণটোক মূল ৰাশি বুলি ল'ব লাগিব আৰু যদিহে ঋণদিওতাই সুত হিচাপে সেই তাৰিখৰ পৰা গোচৰৰ তাৰিখলৈকে লাভ কৰা সমগ্ৰ ধনৰাশিৰ হিচাপ লোৱা হয়, সুতৰ বাবে একোৱেই নাথাকিব। আনহাতে, ডিক্ৰীধাৰীয়ে আহ্বান জনাইছে যে, এই ধাৰাৰ শেষৰ অংশটোৰ প্ৰতি লক্ষ্য ৰাখি ৬-১০-১৯৩১ তাৰিখৰ বন্ধকী দলিলত উল্লেখ কৰা ঋণৰ ধনৰাশি অৰ্থাৎ ৪২ হাজাৰ টকা বুলি ল'ব লাগিব। গণনাৰ যিয়েই পদ্ধতি গ্ৰহণ কৰা নহওক কিয় মনতৰাখিব লাগিব যে, বন্ধকী ঋণৰ ওপৰত কোনো ডিক্ৰী পাছ কৰাৰ উদ্দেশ্যে নহয়, বৰঞ্চ আপীলকাৰীসকলৰ বিৰুদ্ধে ধনৰ ডিক্ৰীৰ বিক্ৰীৰ দ্বাৰা কাৰ্যকৰীকৰণ, আইনখনৰ ১৩নং ধাৰাত হ'বলগীয়া সম্পত্তিৰ মূল্য অনুমান কৰাৰ বাবেহে কৰিব লাগিব।

মু. ন্যা. ছাৰ মৰিছ গ্বায়াৰে *সুৰেন্দ্ৰ প্ৰসাদ নাৰায়ণ সিং বনাম শ্ৰীগজাধৰ প্ৰসাদ সাহু ট্ৰাষ্ট ইষ্টেট আৰু অন্যান্য*(3) গোচৰত আঙুলিয়াই দিয়াৰ দৰে, "১৯৩৭ চনৰ আইনখনৰ ৭নং ধাৰাটো নিঃসন্দেহে অত্যন্ত অস্পষ্ট আৰু ভুলকৈ উপস্থাপিত।" আইনখনৰ স্ৰষ্টাসকলৰ প্ৰকৃত উদ্দেশ্য বুজাটো কিছু কঠিন। কিন্তু, পাটনা উচ্চন্যায়ালয়ে ধাৰাটোৰ ওপৰত ধাৰাবাহিকভাৱে এনে এক ব্যাখ্যা আগবঢ়াইছে, যি এই কাৰ্য্যবিধিসমূহত আপীলকাৰীৰ যুক্তিৰ বিৰোধী।

*সিংহেশ্বৰ সিং আৰু অন্যান্য বনাম মদনী প্ৰসাদ সিং আৰু অন্যান্য*(4) গোচৰত এই কথা স্পষ্টভাৱে সিদ্ধান্তৰ বাবে আহিছিল য'ত ৩১-৮-১৯২২তাৰিখৰ ২,০০০টকাৰ বন্ধকী দলিল কাৰ্যকৰী কৰা হৈছিল, যি ১৯১২চনৰ ১১অক্টোবৰৰ বন্ধকী দলিলৰ অধীনত প্ৰাপ্য মূলধন আৰু সুতৰ বাকী ধন ১,৩৯১টকাৰ বিনিময়ত আছিল। ৰায়দানৰ-ঋণীয়ে এই আবেদন উত্থাপন কৰিছিল যে, আদালতে ১৯১২চনৰ পূৰ্বৰ দলিললৈ ঘূৰি যাব লাগে

3 ১৯৪০ এফ.চি.আৰ.৩৯. ১৯
4 এ.আই.আৰ. ১৯৪০ পি.এ.টি. ৬৫.

আৰু সেই দলিলত ১,৫১২টকা সুত দিয়া হৈছিল, তেওঁলোকৰ বিৰুদ্ধে ১,৩৯১টকাৰ মূল ধনৰাশিতকৈ অধিক মূল্যত কোনো ডিক্ৰী গৃহীত কৰিব পৰা নগ'ল। বিদ্বান ন্যায়াধীশসকলে এই বিতৰ্ক নাকচ কৰি ১৯২২ চনৰ নথিখনত উল্লেখ কৰা ধনৰাশি অৰ্থাৎ ২,০০০টকা ঋণ হিচাপে লৈছিল আৰু তেওঁলোকে ৰায় দিছিল যে, বাদীসকলে ২,০০০টকাতকৈ বেছি নোহোৱা সুতৰ বাবে ডিক্ৰী পোৱাৰ অধিকাৰী কাৰণ, দলিল কাৰ্যকৰী হোৱাৰ পিছত কোনো ধৰণৰ ধন পৰিশোধ কৰা হোৱা নাই বুলি প্ৰমাণিত হৈছিল। *লাল সিং বনাম ৰামনাৰায়ণ ৰাম আৰু অন্যান্য*(5) গোচৰটো একে মতামত লোৱা হৈছিল আৰু ঋণটো ২,৯০৯-৮-০টকা হিচাপে ল'ব লাগে বুলি ভিত্তি কৰি বাদীসকলক ডিক্ৰী দিয়া হৈছিল, যাৰ বাবে গোচৰত উল্লিখিত হেণ্ড-নোটখন কাৰ্যকৰী কৰা হৈছিল আৰু কিন্তু ১৯২৪ চনৰ পূৰ্বৰ হেণ্ড-নোটৰ ওপৰত আগবঢ়োৱা ১০০০টকাৰ ধনৰাশি নাছিল। *মাধো প্ৰসাদ সিং বনাম মুকুটধাৰী সিং আৰু অন্যান্য*(6)-ত অনুৰূপ অৱস্থিতি উপস্থাপন কৰে। *দেও নন্দন প্ৰসাদ বনাম ৰাম প্ৰসাদ* (7) গোচৰত পূৰ্ণ বিচাৰপীঠৰ সিদ্ধান্তই একে মতামত পুনৰবাৰ উল্লেখ কৰি আইনখনৰ ৭ আৰু ৮ নং ধাৰাত থকা পাৰ্থক্যটো আঙুলিয়াই দিছে আৰু উল্লেখ কৰিছে যে, ধাৰা ৭ৰ অধীনত থকা পিছৰ নথিপত্ৰ থকা সত্বেও ৮ নং ধাৰাত আমি আৰম্ভণিৰ ঋণত ভিত্তি কৰিব পাৰো, ঋণটো সেই নথিপত্ৰৰ সৈতে জড়িত হ'ব লাগিব, যাৰ ওপৰত গোচৰটো ভিত্তি কৰি ৰচনা কৰা হৈছে অৰ্থাৎ, চূড়ান্ত নথিপত্ৰৰ সৈতে জড়িত হ'ব লাগিব আৰু মূল নথিখনৰ সৈতে নহয়। এই প্ৰতিটো ক্ষেত্ৰতে ৭ নং ধাৰাৰ প্ৰকৃত অৰ্থটো সূক্ষ্মভাৱে বিবেচনা কৰা হৈছিল। এই ভিত্তিয়ে নিঃসন্দেহে এজন ঋণদাতাক প্ৰাপ্য সুতৰ বাবে এখন নথি লৈ মূলধনৰ সৈতে যোগ কৰি আইনখনৰ উপকাৰী বিধানসমূহ আওকাণ কৰিবলৈ সক্ষম কৰে। মু.ন্যা. খায়াৰে ৫৯নং পৃষ্ঠাত *সুৰেন্দ্ৰ প্ৰসাদ নৰেইন সিং বনাম শ্ৰী গজাধৰ প্ৰসাদ সাহু ট্ৰাষ্ট এষ্টেট এণ্ড আদাৰছ*(8) গোচৰত এই অসুবিধাৰ কথা আঙুলিয়াই দিছে। যদিহে ব্যাখ্যাই

[5] এ.আই.আৰ. ১৯৪২ পি.এ.টি. ১৩৮, ১৩৯.
[6] (১৯৪১) ১৯৩ আই.চি. ৬৬১
[7] আই.এল.আৰ.২৩পি.এ.টি.৬১৮
[8] ১৯৪০এফ.চি.আৰ.৩৯.

অসুখী বা অস্পষ্ট বাক্যাংশৰ কাৰণে আইনখনৰ সৃষ্টিৰ উদ্দেশ্য পূৰণ নকৰে, তেন্তে হস্তক্ষেপ কৰাটো বিধানসভাৰ কাম। কিন্তু তেনে কাৰ্য্যৰ পৰা বহু দূৰতেই, এই মত দিছে যে, ইমান বছৰৰ ভিতৰত পাটনা উচ্চ ন্যায়ালয়ে বিধিখন প্ৰণয়ন হোৱাৰ পিছৰ বছৰৰ পৰাই উক্ত ধাৰাত ভিত্তি কৰি আহিছে। সংশ্লিষ্ট বিধানসমূহত ব্যৱহৃত ভাষাৰ অস্পষ্টতা আৰু বিধানসভাৰ নিষ্ক্ৰিয়তালৈ লক্ষ্য কৰি আমাৰ দৃষ্টিত, পাটনা উচ্চ ন্যায়ালয়ে প্ৰকাশ কৰা মতামত বিধানসভাৰ উদ্দেশ্যৰ সৈতে মিল আছে বুলি অনুমান কৰাটো বৈধ।

একেলগে এই আপীলসমূহ বিফল হৈছে আৰু জৰিমনাৰ সৈতে খাৰিজ কৰা হৈছে।

*আপীল আবেদনসমূহ খাৰিজ*

আপীলকাৰীৰ এজেণ্ট (প্ৰতিনিধি) : *তাৰাচান্দ ব্ৰিজ মোহনলাল*

উত্তৰদাতাৰ এজেণ্ট (প্ৰতিনিধি) : *আৰ. চি. প্ৰসাদ*

-----------------------------------------------

অনুবাদ: শ্ৰীলক্ষদ্বীপ ফুকন।

পৰীক্ষণ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the

English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"